AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## সৰ্ব্বোচ্চ বলিদান

আদিপুস্তক ২২:১-১৯ পদ

## কাহিনী...



**আকাশখন** তেতিয়াও আন্ধাৰ হৈয়ে আছিল যেতিয়া বৃদ্ধ পিতৃ-কুলপতি গৰাকীয়ে অতি স্পষ্টকৈ ঈশ্বৰৰ মাত শুনিছিল । “হে অব্ৰাহাম ... তুমি প্ৰেম কৰা তোমাৰ সেই একেটি পুত্ৰ ইচহাককে লৈ, মোৰিয়া দেশলৈ যোৱা; আৰু সেই ঠাইৰ পৰ্ব্বতবোৰৰ মাজৰ যি এটা পৰ্ব্বতৰ কথা মই তোমাক কম, তাৰ ওপৰতে তাক হোমৰ অৰ্থে বলি-দান কৰাগৈ” । আদিপুস্তক ২২:১, ২ ।

এই আদেশটোক পালন কৰাৰ ক্ষেত্ৰত থেৰো গেৰো কৰাৰ পৰিনামক চিন্তা কৰি অব্ৰাহাম ভয়ত থৰখৰকৈ কপিবলৈ লৈছিল । ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল যে ইচহাকৰ যোগেদি তেও এক শক্তিশালী জাতিৰ আদি পিতৃ হব । অব্ৰাহামৰ আটাইবিলাক আশা আৰু সপোন, তেও আৰু চাৰাক, তেওবিলাকৰ বৃদ্ধা-বয়সত প্ৰদান কৰা এই আচৰিত পুত্ৰজনৰ ওপৰতেই থুপ খায় আছিল । তেও বুজিব পৰা নাছিল, ঈশ্বৰে কিয় এই আচৰিত কাৰ্য্যটো তেওক কৰিবলৈ কৈছিল, কিন্তু তেও তেওৰ স্বৰ্গীয় পিতৃ জনাত বিশ্বাস আৰু আস্হা ৰাখিবলৈ আৰু তেওৰ বাধ্য হবলৈ শিকি থৈছিল— এনেকি জটিল পৰিস্হিতিৰ মাজতো ।

গতিকে অব্ৰাহামে লাহেকৈ কিশোৰ ইচহাক আৰু দুজন বিশ্বস্ত দাসক জগাই দিছিল আৰু এই সৰু দলটিয়ে মোৰিয়ালৈ যোৱা তিনি দিনীয়া যাত্ৰা আৰম্ভ কৰিছিল । বলি দিবলগীয়া পৰ্ব্বতখনৰ ওচৰ পোৱাৰ লগে লগে, অব্ৰাহামে তেওৰ দাস দুজনক সেইখিনিতে ৰৈ তেও আৰু ইচহাক ঘুৰি অহালৈ অপেক্ষা কৰিবলৈ নিৰ্দেশ দিছিল । তাৰ পাছত খৰিখিনি তেও ইচহাকৰ কান্ধত বোজাই দিছিল আৰু দুয়ো একেলগে পৰ্ব্বতৰ ওখলৈ উঠি গৈছিল ।

কিবা এটা ভুল হোৱা অনুভৱ কৰি ইচহাকে মাত লগায় কৈছিল, “হে মোৰ পিতৃ, জুই জলাবলৈ যিহৰ প্ৰয়োজন সেইবোৰ আৰু খৰিয়ো আমাৰ লগত আছে, কিন্তু হোমৰ অৰ্থে মেৰ-পোৱালি কতা?” অব্ৰাহামে উত্তৰ দিছিল, “হে মোৰ বোপা, ঈশ্বৰে নিজেই হোমৰ অৰ্থে মেৰ-পোৱালি যোগাব” ।

যেতিয়া তেওবিলাকে পৰ্ব্বতৰ সিখৰত উপস্হিত হৈছিলগৈ, অব্ৰাহামে চকুলো টুকি টুকি তেওবিলাকৰ যাত্ৰাৰ আটাই কাৰনবোৰক বিৱৰি কৈছিল । ঈশ্বৰৰ আদেশ পুৰন কৰিবলৈ ইচহাকে স্ব-ইচ্ছাই নিজকে সমৰ্পন কৰিছিল । অন্তিমবাৰ আলিঙ্গন কৰাৰ পিছত, পিতাকে মৰমেৰে নিজ পুত্ৰৰ হাত দুখন বান্ধিছিল আৰু শিলৰ বেদীটোৰ ওপৰত তাক শোৱাই দিছিল । অব্ৰামাহে বলি দিবলৈ চুৰিখন উঠাই লৈছিল, কিন্তু অকস্মাতে এজন স্বৰ্গদূতৰ দ্বাৰাই তেও ৰৈ যাবলগীয়া হৈছিল আৰু ওচৰতে জোপোহাত শিং লাগি থকা এটা মতা মেৰ ছাগক তাৰ স্হানত তেওক বলি দিবলৈ নিৰ্দেশ দিয়া হৈছিল ।

এজন পিতাকে নিজৰ অতি মৰমৰ পুত্ৰক বলি দিবলৈ, অতি বেদনাদায়ক সিদ্ধান্ত লোৱা, এইটো এটা মাত্ৰ মনত লগা কাহিনী নহয় ।



পাঠ নং :- ৪

## পাঠ নং :- ৪

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়াৰ পিছত খালী স্হানবোৰ পুৰন কৰক ।

### ১. ইচহাকৰ স্হানত বলি দিয়া জন্তুটোৱে কাক সূচাইছিল?

**যোহন ১:২৯** পাছদিনা তেওৰ ওচৰলৈ __________ অহা দেখি, তেও কলে, "জগতৰ পাপ নিওতা ঈশ্বৰৰ __________ __________ চোৱা!"

### ২. যীচু মৰিবলৈ কিয় প্ৰয়োজন হৈছিল ?

**ৰোমীয়া ৩:২৩** কাৰন __________ পাপ কৰিলে ।

**ৰোমীয়া ৬:২৩** কাৰন পাপৰ বেচ __________ ।

**ইব্ৰী ৯:২২** __________ উলিওৱা নহলে, পাপ মোচন নহয় ।

**১ম কৰিন্হীয়া ১৫:৩** খ্ৰীষ্ট __________ __________ নিমিত্তে মৰিলে ।

**১ম পিতৰ ৩:১৮** __________ কাৰনে __________ জনাই অৰ্থাত খ্ৰীষ্টে পাপবোৰৰ কাৰনে কেৱল এবাৰ দুখভোগ কৰিলে ...

**টোকা:** বাইবেলখন সচাকৈয়ে অমূল্য কাৰন ই আমাক পাপ পৃথিবীত কেনেকৈ সোমাল আৰু ইয়াক কেনেকৈ গুচায় পেলোৱা হব সেই বিষয়ে কয় । পাপৰ কুতচিত মাৰাত্মতাক ঈশ্বৰে সহ্য কৰিব নোৱাৰে । পাপৰ দন্ড হৈছে মৃত্যু । আৰু আটাইতকৈ বেয়া কথাটো হৈছে, যেতিয়া আদম আৰু হাৱাই পাপ কৰিলে, পাপৰ এই যি ৰোগ সমগ্ৰ মানৱ জাতিটোলৈকে বিয়পি পৰিল । ঈশ্বৰৰ বিধান আৰু ইয়াক উলঙ্ঘন কৰাৰ যি দন্ড সি কেতিয়াও সলনি হব নোৱাৰে, গতিকে সকলো মানৱ ধ্বংশ হোৱাতো নিশ্চিত আছিল । কিন্তু ঈশ্বৰ তেওৰ সৃষ্ট প্ৰানীসমুহৰ পৰা নিজকে পৃথককৈ ৰাখিব নোৱাৰিলে । গতিকে, প্ৰেমৰ এক অবিশ্বাস্য কাৰ্য্যত, তেও আপোনাৰ আৰু মোৰ ঠাইত মৰিবলৈ নিজৰ পুত্ৰক এই পৃথিবীখনলৈ প্ৰেৰন কৰিবলৈ মনস্হ কৰিছিল । আমাৰ পাপবোৰ আৰু ইয়াৰ দন্ড যি মৃত্যু, তেওৰ ওপৰত পৰিছিল আৰু আমি মুক্তহৈ উদ্ধাৰ পালো ।

### ৩. পৰিত্ৰানৰ এই মহান পৰিকল্পনাটোক কি বুলি কোৱা হয় বাৰু?

**প্ৰকাশিতবাক্য ১৪:৬** ... তেও পৃথিবীত বসতি কৰাবিলাকৰ ... আগত প্ৰচাৰ কৰিবলৈ অনন্ত __________ পাই বৰ মাতেৰে কলে,

**টোকা:** ঈশ্বৰৰ পৰিত্ৰানৰ পৰিকল্পনাটোক "শুভবাৰ্ত্তা" বুলি কোৱা হয়, যাৰ অৰ্থ হৈছে "শুভ-বাতৰি" । আৰু ই বাস্তৱিকতে মানৱ জাতিলৈ প্ৰদান কৰা আটাইতকৈ নাভূত-নাচূত বাতৰি । আমাৰ মৃত্যু দন্ডক যীচুৰ দ্বাৰাই পুৰন কৰা হল আৰু আমাৰ অপৰাধবোৰক গুচাই পেলোৱা হল ।

## ৪. ঈশ্বৰে আমাৰ নিমিত্তে কিয় তেনেকুৱা এটা উতকৃষ্ট বলিদান দিছিল?

**যোহন ৩:১৬** ঈশ্বৰে জগতক ইমান [redacted] কৰিলে যে তেও তেওৰ একমাত্ৰ পুত্ৰকে দান কৰিলে ...

টোকা: সন্তানৰ প্ৰতি থকা পিতৃ-মাতৃৰ প্ৰেমেই হৈছে জগতৰ আটাইতকৈ শক্তিশালী বন্ধন । যেতিয়া পিতৃ ঈশ্বৰে আমাৰ ঠাইত দুখভোগ কৰিবলৈ আৰু মৰিবলৈ তেওৰ পুত্ৰ যীচুক পৰম ইচ্ছাৰে অনুমতি প্ৰদান কৰিছিল, তেও আটাইতকৈ শক্তিশালী ভাষাৰে প্ৰদৰ্শন কৰিছিল, আমালোকৰ প্ৰত্যেককে তেও কিমান আন্তৰিকতাৰে প্ৰেম কৰে ।

## ৫. যীচুৰ বলিদানীয় মৃত্যুৰ পৰা লাভৱান হবলৈ মই কি কৰিব লাগিব?

**পাচনিকৰ্ম ১৬:৩১** ... প্ৰভু যীচুত [redacted] কৰা, তেহে তুমি আৰু তোমাৰ ঘৰৰ সকলোৱে পৰিত্ৰান পাবা ।

**যোহন ১:১২** তথাপি যিমান মানুহে তেওক গ্ৰহন কৰিলে অৰ্থাত তেওৰ নামত বিশ্বাস কৰিলে, সেই সকলোকে [redacted] [redacted] হবলৈ তেও ক্ষমতা দিলে ।

টোকা: যীচুৱে প্ৰদান কৰা পৰিত্ৰান হৈছে এটা উপহাৰ (ৰোমীয়া ৬:২৩) । মোৰ কৰনীয়টো হৈছে ই সত্য হয় বুলি বিশ্বাস কৰা আৰু বিশ্বাসৰ দ্বাৰাই এই উপহাৰ গ্ৰহন কৰি লোৱা ।

## ৬. তেতিয়া মই কেনেকৈ ক্ষমাপ্ৰাপ্ত আৰু শুচিকৃত হও?

**পাচনিকৰ্ম ৩:১৯** এতেকে [redacted] ঘুৰি আহা, যেন তোমালোকৰ পাপ মোচন হয় ...

**১ম যোহন ১:৯** কিন্তু আমি নিজ নিজ পাপবোৰ [redacted] কৰিলে, বিশ্বাসী আৰু ধাৰ্ম্মিক যি তেও, তেও আমাৰ পাপবোৰ ক্ষমা কৰে আৰু সকলো অধৰ্ম্মৰ পৰা আমাক [redacted] কৰে ।

টোকা: পাপ স্বীকাৰ হৈছে অনুশোচনাৰ বহি-প্ৰকাশ । প্ৰকৃত অনুশোচনাত এটা দুখ অন্তৰ্ভূক্ত হৈ থাকে-আৰু অনুশোচনা কৰা জনে পাপৰ পৰাও আতৰি আহে (হিতোপদেশ ২৮:১৩)।

## ৭. এই আচৰিত পৰিবৰ্ত্তনৰ অভিজ্ঞতাক কি বুলি কোৱা হয় বাৰু?

**যোহন ৩:৭** [redacted] তোমালোকৰ [redacted] হব লাগে ...

টোকা: এই গৌৰৱময় অভিজ্ঞতাক এটা নতুন জন্ম বুলি অভিহিত কৰা হয়, কাৰন এইটো মূহুৰ্ত্তৰ পৰা আমাৰ আৰু অতীত নাথাকে । ইয়াৰ পৰিবৰ্ত্তে আমি এটা সজীৱ নতুন জীৱন আৰম্ভ কৰো, যেনেকৈ সদ্য-জন্ম হোৱা শিশু এটিয়ে কৰে । আমাৰ ৰেৰ্কডত এটাও অপৰাধৰ দাগ নথকা ই হৈছে এটা নতুন জীৱনৰ পাতনিৰ আটাইতকৈ উতকৃষ্ট অভিজ্ঞতা ।

# পাঠ নং :- ৪

## ৮. নতুনকৈ জন্ম লাভ কৰা প্ৰত্যেকজন খ্ৰীষ্টানৰ অন্তৰত কোনে প্ৰবেশ কৰে?

**যোহন ১৪:১৭** ... আন এজন সহায়কৰ্ত্তা অৰ্থাত সত্যৰ [redacted] ... তোমালোকে হলে তেওক জানা কিয়নো তেও তোমালোকে সৈতে নিবাস কৰে আৰু তোমালোকৰ অন্তৰত থাকিব ।

টোকা: আচলতে এজন খ্ৰীষ্টিয়ানৰ ভিতৰত স্বয়ং যীচুৱেই তেওৰ পবিত্ৰ আত্মাৰ যোগেদি নিবাস কৰে ।

## ৯. যেতিয়া যীচুৱে পবিত্ৰ আত্মাৰ যোগেদি মোৰ অন্তৰত নিবাস কৰে, মই তেতিয়া কি কৰিম বাৰু ?

**ফিলিপীয়া ২:১৩** (কেজিভি) তেওক পৰম সন্তুষ্ট কৰিবলৈ ইচ্ছা আৰু [redacted] দুয়োটাকে কৰিম ।

টোকা: তেওৰ ইচ্ছা পালন কৰিবলৈ মই বিচাৰিম, আৰু ইয়াক সচাকৈয়ে সম্পাদন কৰিবলৈ তেও মোক শক্তি দিয়ে ।

## ১০. মই কিয় দৃঢ়-বিশ্বাস কৰা উচিত যে মোৰ নতুন জীৱনৰ অভিজ্ঞতাবোৰ সফল হব ?

**ফিলিপীয়া ১:৩** যি জনাই তোমালোকত সতকৰ্ম্মৰ [redacted] কৰিলে, তেৱেঁই তাক যীচু খ্ৰীষ্টৰ আগমনৰ দিনলৈকে সিদ্ধ কৰি থাকিব.

টোকা: মই দৃঢ়-বিশ্বাসী কাৰন যীচুৱে তেওৰ মহা শক্তিৰ দ্বাৰাই ইয়াক মোৰ নিমিত্তে সম্পূৰ্ণ সিদ্ধ কৰিম বুলি প্ৰতাজ্ঞা কৰিছে ।পৰিত্ৰান তেওৰ সমৰ্থতাৰ ওপৰতহে প্ৰতিৰ্ষ্ঠিত, মোৰ ওপৰত নহয় ।

## ১১. কিছুমান লোক তেওবলাকৰ খ্ৰীষ্টিয়ান অভিজ্ঞতাত কিয় অসফল হয়?

**যিচয়া ৫৩:৬** আমি ভেড়াৰ নিচিনাকৈ অপথে গৈছিলো, প্ৰতিজনে নিজ [redacted] লৈছিলো...

**২য় পিতৰ ৩:২** পবিত্ৰ ভাৱবাদীবিলাকে পূৰ্ব্বে কোৱা কথাবোৰ আৰু তোমালোকৰ পাচনিবিলাকে পোৱা ত্ৰাণকৰ্ত্তা [redacted] আজ্ঞা তোমালোকে যেন সোৱৰন কৰা.

টোকা: লোকসমুহে খ্ৰীষ্টিয়ান জীৱন-ধাৰনত প্ৰায়ে অকৃতকাৰ্য্য হয় কাৰন তেওবিলাকে যীচুক ত্ৰাণকৰ্ত্তা হিচাপেহে গ্ৰহন কৰে তেওবিলাকৰ জীৱনৰ প্ৰভু বা "শাসনকৰ্ত্তা" হিচাপে নহয় । আমাৰ বেচি ভাগৰে নিজৰ নিজৰ পথ থকাতো বিচাৰো আৰু নিজৰ মতে জীৱন যাপন কৰো । আমি যেতিয়া যীচুক প্ৰভু হিচাপে অৰ্থাত গৰাকী হিচাপে গ্ৰহন কৰো, তেতিয়া আমাৰ জীৱনটোক চলাবলৈ তেওক এৰি দিও । আমি আমাৰ জীৱনৰ ষ্টিয়েৰিং হুইলত থকা আমাৰ হাতদুখনক গুচাই দিও আৰু আমাক বাট দেখুৱাই চলাই নিবলৈ তেওক মিনতি কৰো । ("এবাৰ ত্ৰাণপ্ৰাপ্ত হলে সদায় পৰিত্ৰাণ প্ৰাপ্ত" সংযোজনটো চাওক)

## ১২. মই কেনেকৈ জানিব পাৰো যে যীচুৱে মোক গ্ৰহন কৰিলে আৰু মই তেওৰ সন্তান হলো?

**তীত ১:২** মিছা নোকোৱা ঈশ্বৰে … [redacted] কৰিছিল … ।

**মথি ৭:৭** খোজা, তেহে তোমালোকক দিয়া [redacted] …

**টোকা:** আমি জানো যে যীচুৱে আমাক গ্ৰহন কৰে যেতিয়া আমি তেওক খোজো, কাৰন তেও মিছা কথা কব নোৱাৰে । তেও আমাক গ্ৰহন কৰিম বুলি প্ৰতিজ্ঞা কৰিছে, আৰু তেও আমাক গ্ৰহন কৰে–ইয়াৰ কাৰন এইটো নহয় যে আমি বেলেগ ধৰনে অনুভৱ কৰো, কিন্তু ইয়াৰ কাৰন এইটোহে কাৰন তেও প্ৰতিজ্ঞা কৰি থৈছে ।

## ১৩. প্ৰকৃত পৰিবৰ্ত্তনে এটা জীৱন কেনেকৈ সলনি কৰিব?

**ক. যোহন ১৩:৩৫** তোমালোকে যদি পৰস্পৰৰ মাজত [redacted] ৰাখা, তেন্তে তোমালোক যে মোৰ শিস্য, ইয়াক তাৰ দ্বাৰাই সকলোৱে জানিব ।

**খ. ২য় কৰিন্হীয়া ৫:১৭** এতেকে কোনো যদি খ্ৰীষ্টত আছে; তেন্তে তেও নতুন [redacted] …

**গ. ১ম যোহন ৩:২২** … কিয়নো আমি তেওৰ আৰজ্ঞাবোৰ পালন কৰো, আৰু তেওৰ দৃষ্টিত যি যি সন্তোষজনক, তাকে [redacted] …

**ঘ. ৰোমীয়া ১২:২** আৰু তোমালোক [redacted] অনুৰূপ নহবা; কিন্তু যিহতে ঈশ্বৰৰ ইচ্ছা, অৰ্থাত উত্তম, গ্ৰহনীয়, আৰু সিদ্ধ কি, তাক পৰীক্ষা কৰি জানিবা, তাৰ কাৰনে নতুন মন কৰাৰ দ্বাৰাই [redacted] [redacted]

**ঙ. পাচনিকৰ্ম ১:৮** … তোমালোক মোৰ [redacted] হবা.

**চ. ইফিচীয়া ৬:১৮** সকলো [redacted] আৰু নিবেদনেৰে সকলো সময়তে [redacted] প্ৰাৰ্থনা কৰা ।

## ১৪. খ্ৰীষ্টিয়ান জীৱনৰ সৈতে কি আচৰিত প্ৰতিজ্ঞা লগত আছে বাৰু?

**ক. ফিলিপীয়া ৪:১৩** যি জনাই মোক শক্তি প্ৰদান কৰে সেই খ্ৰীষ্টৰ যোগেদি মই [redacted] [redacted] কৰিব পাৰো ।

**খ. ফিলিপীয়া ৪:১৯** ঈশ্বৰে তোমালোকৰ সকলো [redacted] … পূৰ্ণ কৰিব ।

**গ. মাৰ্ক ১০:২৭** কিয়নো ঈশ্বৰৰ সকলো [redacted] …

**ঘ. যোহন ১৫:১১** তোমালোকৰ [redacted] যেন সম্পূৰ্ণ হয় …

**ঙ. যোহন ১০:১০** তেওবলাকে যেন জীৱন পায়, আৰু তাকেই যেন [redacted] পায় …

# পাঠ নং :- ৪

**চ. ইব্ৰী ১৩:৫** মই তোমাক [redacted] [redacted], কেতিয়াও ত্যাগ নকৰিম ...

**ছ. ইব্ৰী ১৩:৬** মই [redacted] [redacted] মানুহে মোক কি কৰিব

**জ. যোহন ১৪:২৭** মোৰ [redacted] তোমালোকক দিও ...

**টোকা:** ঈশ্বৰে তলত দিয়া আঠটা অতি মূল্যবান প্ৰতিজ্ঞা তেওঁৰ লোকসকলক প্ৰদান কৰিছে:

- যীচুৰ যোগেদি আমি যিকোনো কাম সম্পাদন কৰিব পাৰো।
- আমাৰ আটাইবিলাক প্ৰয়োজনীয়তাক যোগান দিয়া হব ।
- আমাৰ নিমিত্তে একোৱেই অসম্ভৱ নহব ।
- আমাৰ আনন্দ সম্পূৰ্ণ হব ।
- আমি উপচি পৰা জীৱন লাভ কৰিম ।
- ঈশ্বৰে আমাক কেতিয়াও নেৰিব বা ত্যাগ নকৰিব ।
- মানুহে আমাৰ বিপক্ষে যিয়ে নকৰক লাগিলে আমি ভয় খোৱাৰ কোনো প্ৰয়োজন নাই ।
- প্ৰভুৱে আমাক তেওঁৰ সম্পূৰ্ণ শান্তি প্ৰদান কৰিব ।

ঈশ্বৰৰ গৌৰৱ প্ৰশংসা হওক! ইয়াতকৈ অধিক আৰু কি উত্তম থাকিব পাৰে?

# আপোনাৰ সহাৰি

আপোনাক পৰিত্ৰাণ দিবৰ বাবে কৰা যীচুৰ পৰিকল্পনাটোক আপুনি এতিয়াই গ্ৰহন কৰিব নে, নাইবা সেই সিদ্ধান্তটোক নবীকৰন কৰিব ?

**উত্তৰ:** [redacted]

# সংযোজন

এই খন্ডটোৱে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব ।

## এবাৰ ত্ৰাণপ্ৰাপ্ত হলে, সদায় পৰিত্ৰাণ প্ৰাপ্ত

খ্ৰীষ্টক নিজৰ ত্ৰাণকৰ্ত্তা হিছাপে এবাৰ গ্ৰহন কৰা ব্যক্তিজন হেৰাই যাব পাৰে নে? এই প্ৰশ্নটোৰ এটা উত্তৰ একমাত্ৰ ভাৱে ঈশ্বৰৰ বাক্যতহে আমি বিচাৰি পাব পাৰো । বাইবেলে নিজেই এইদৰে কৈছে: "আৰু আমাৰ শৰীৰ শুদ্ধ পানীৰে ধুউৱা হলত, আমি স্বীকাৰ কৰা আশা লৰ নোহোৱাকৈ ৰাখোহক; কিয়নো যি জনাই প্ৰতিজ্ঞা কৰিলে, তেও বিশ্বাসী । আৰু প্ৰেমত আৰু সতকৰ্ম্মত উত্তেজিত হবলৈ আমি পৰস্পৰে মনোযোগ কৰোহক; ... কিয়নো সত্যৰ তত্ব-জ্ঞান পোৱাৰ পাছত আমি যদি জানি শুনি পাপ-আচৰন কৰো, তেন্তে পাপাৰ্থক বলিদান আৰু নাথাকে" ইব্ৰী ১০:২৩, ২৪, ২৬ ।

বাইবেলে কোনা ঠাইতে শিকোৱা নাই যে আমি এজন খ্ৰীষ্টিয়ান হোৱাতেই আমাৰ দায়িত্বৰ অন্ত পৰিল বুলি । ঈশ্বৰৰ বাক্য অতি স্পষ্ট: "কিয়নো প্ৰভু আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ তত্ব-জ্ঞানৰ দ্বাৰাই সংসাৰৰ নানা অশুচিতাৰ পৰা হাত সাৰি আহিলত, যদি সেই অশুচিতাৰূপ জালত পুনৰায় পৰি পৰাজিত হয়, তেন্তে তেওবিলাকৰ শেষ অৱস্হা প্ৰথম অৱস্হাতকৈ বেয়া । কাৰন জ্ঞান পাই নিজত সমৰ্পিত পবিত্ৰ আজ্ঞাৰ পৰা উলটি যোৱাতকৈ, ধৰ্ম্ম-পথ নজনাকৈ থকা তেওবলাকৰ পক্ষে ভাল আছিল । কুকুৰে নিজৰ বাতিলৈ, আৰু ধূউৱা গাহৰিয়ে বোকাত লেটি লবলৈ আকৌ উলটি যায়, এই স্বৰূপ পটন্তৰৰ দৰে তেওবিলাকলৈ ঘটিল" । ২য় পিতৰ ২:২০-২২ ।

খ্ৰীষ্টিয়ান ধৰ্ম্ম মাত্ৰ এটা সিদ্ধান্ত নহয়, ই ইয়াতকৈ বহুত বেছি । যীচুৱে কৈছিল যে আমাৰ পৰিত্ৰাণ চৰ্ত্তৰ ওপৰত আধাৰিত আৰু চৰ্ত্তটো হৈছে আমি যেন অহৰহভাৱে তেওৰ লগত সংযুক্ত হৈ থাকো (যোহন ১৫:৪)। পাচনি পৌলে এইবুলি কৈছিল, "মই দিনে দিনে মৃত্যু মুখত আছো" ১ম কৰিন্হীয়া ১৫:৩১ । ইয়াৰ অৰ্থ হৈছে তেও নিতৌ নিজকে শূন্য কৰিবলৈ আৰু যীচুৰ অনুসৰন কৰিবলৈ মন বান্ধি লৈছিল । প্ৰভু নিজেই এইবুলি কৈছিল, "কোনোৱে যদি মোৰ পাছক আহিবলৈ ইচ্ছা কৰে, তেন্তে তেও নিজকে নিজে দমন কৰক আৰু দিনে দিনে নিজৰ ক্ৰুচ তুলি লৈ মোৰ পাছে পাছে আহক" লূক ৯:২৩ ।

বাইবেলে শিকোৱা নাই যে সত্যৰ পৰা বিমুখ হোৱাৰ পিছতো আমি লাভ কৰা পৰিত্ৰাণ আমাৰ লগত থাকিব । যিহিস্কেল ১৮:২৪ পদত কৈছে, "কিন্তু যদি ধাৰ্ম্মিকে তেওৰ ধাৰ্ম্মিকতাৰ পৰা ঘুৰি অপৰাধ কৰে আৰু দুষ্টই কৰা আটাই ঘিণলগীয়া কাৰ্য্যৰ দৰে কাৰ্য্য কৰে, তেন্তে তেও জীয়াই থাকিব নে ? তেও কৰা ধৰ্ম্ম-কৰ্ম্মবোৰৰ কোনোটোকে সোৱৰণ কৰা নাযাব, তেও কৰা অপৰাধতেই, আৰু তেও কৰা পাপতেই তেও মৰিব" । পৌলেও আমালোকক সোৱৰাই দিছে, "এই কাৰনে যি কোনোৱে থিৰে আছো বুলি ভাৱে, তেও যেন নপৰে, তাৰ নিমিত্তে সাৱধান হওক" ১ম কৰিন্হীয়া ১০:১২ ।

# পাঠ নং :- ৪

কিছুমান মানুহে ভাৱে, তেওবিলাকে “চলিবলগীয়া পথত” নচলাকৈয়ে “কবলগীয়া কথা” কব পাৰে । কিন্তু যীচুৱে কৈছে, “যিবিলাকে মোক প্ৰভু প্ৰভু বোলে, তেওবিলাক সকলোৱে যে স্বৰ্গৰাজ্যত সোমাব এনে নহয়; কিন্তু যি জনে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে, সেই জনহে সোমাব । সেই দিনা অনেকে মোক কব, হে প্ৰভু, হে প্ৰভু, আমি তোমাৰ নামেৰে ভাবোক্তি প্ৰচাৰ কৰা নাই নে ? আৰু তোমাৰ নামেৰে ভূতবোৰক খেদোৱা নাই নে ? আৰু তোমাৰ নামেৰে অনেক পৰাক্ৰম-কাৰ্য্য কৰা নাই নে ? তেতিয়া মই সিহতক স্পষ্টকৈ কম, মই তহতক কেতিয়াও জনা নাই ; হে অধৰ্ম্মাচাৰীবোৰ, মোৰ ওচৰৰ পৰা দূৰ হ” মথি ৭:২০-২৩ ।

পৌলে তলত দিয়া কথাখিনি কওতে প্ৰকৃত খ্ৰীষ্টিয়ানৰ অবিৰতভাৱে চলি থকা সংগ্ৰামৰ কথাকে বৰ্ননা কৰিছে: “যিবিলাকে দৌৰত লৰ মাৰে, সেই আটাইবিলাকে লৰ মাৰে হয়, কিন্তু এজনহে যে বটা পায়, ইয়াক তোমালোকে নাজানা নে ? তোমালোকে যিহতে পাব পাৰা, এনেকৈ লৰ মাৰিবা । আৰু যি মানুহে মালযুদ্ধ আদি কৰি খেলত জিকিবলৈ চেষ্টা কৰে, তেওবিলাকে সকলোভাৱে ইন্দ্ৰিয় দমন কৰে । ... কিন্তু লোকৰ আগত ঘোষনা কৰি, শেষত নিজে যেন অগ্ৰাজ্য নহও, এই কাৰনে মই নিজ শৰীৰকে ঘুচিয়াই বশ কৰি ৰাখিছো” ১ম কৰিন্হীয়া ৯:২৪, ২৫, ২৭ ।

এবাৰ ত্ৰাণপ্ৰাপ্ত হোৱাৰ পিছত আমি আৰু কেতিয়াও হেৰাই নাযাও বুলি বিশ্বাস কৰাৰ অৰ্থ হৈছে যে আমাৰ আটাইতকৈ মহান স্বাধীনতা-নিজে সিদ্ধান্ত লোৱাৰ স্বাধীনতা খিনিক ঈশ্বৰে উভতাই লোৱা বুলি বিশ্বাস কৰা । আনহাতে ঈশ্বৰে কামনা কৰে যাতে আমি নিশ্চিন্ত হৈ থাকো যে আমালোকৰ জীৱনবোৰত তেও যিবোৰ কাম আৰম্ভ কৰিলে তেও তাক সম্পূৰ্ণ কৰিব । “যি জনাই তোমালোকত সতকৰ্ম্মৰ আৰম্ভ কৰিলে, তেৱেঁই তাক যীচু খ্ৰীষ্টৰ আগমনৰ দিনলৈকে সিদ্ধ কৰি থাকিব বুলি দৃঢ় প্ৰত্যয় কৰি” ... ফিলিপীয়া ১:৩ ।

আমি সম্পূৰ্ণ বিশ্বাস কৰিব পাৰো যে যদি আমি অবিৰতভাৱে অনুসৰন কৰি গৈ থাকো, তেও আমাক অবিৰতভাৱে চলাই লৈ গৈ থাকিব আৰু আমাক ধৰি থকা তেওৰ হাত কেতিয়াও এৰি নিদিব । “কিন্তু যিজনে শেষলৈকে সহি থাকে, সেই জনেই পৰিত্ৰাণ পাব” মথি ২৪:১৩ ।



©2023 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
For more uplifting, life changing resources visit **Bookstore.AFTV.in**